অসম

অসমত বৈধ টোলগেট মাত্ৰ তিনিখন! RTIৰ উত্তৰত NHAIৰ তথ্যক লৈ অসমীয়া যুৱ মঞ্চৰ বিস্ফোৰক দাবী

এনএইচএআইৰ আৰটিআই উত্তৰৰ ভিত্তিত অসমত মাত্ৰ তিনিখন টোলগেটহে বৈধভাৱে চলি থকা বুলি দাবী কৰিছে অসমীয়া যুৱ মঞ্চই।

প্ৰকাশ: ১৯ নৱেম্বৰ ২০২৬, নিশা ৭:৫৪



Assamese Yuva Mancha Leader Akash Saikia (NewzNow)

গুৱাহাটী, ১৯ নৱেম্বৰ: ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ আৰটিআই উত্তৰৰ ভিত্তিত অসমত মাত্ৰ তিনিখন টোলগেটহে বৈধভাৱে চলি থকা বুলি দাবী কৰিছে অসমীয়া যুৱ মঞ্চই। সংগঠনটোৱে অভিযোগ কৰিছে যে, ৰাজ্যত চলি থকা আন টোলগেটসমূহৰ সন্দৰ্ভত এনএইচএআইৰ হাতত কোনো তথ্য নাই।

বৃহস্পতিবাৰে গুৱাহাটীত অনুষ্ঠিত এখন সংবাদমেলত সংগঠনটোৰ নেতা আকাশ শইকীয়াই কয় যে, ভাৰত চৰকাৰৰ অধীনস্থ এনএইচএআইলৈ দাখিল কৰা আৰটিআই আবেদনৰ উত্তৰ লাভ কৰাৰ পাছত এই তথ্য পোহৰলৈ আহিছে।

শইকীয়াৰ দাবী অনুসৰি, এনএইচএআইৰ অধীনত বৈধ হিচাপে উল্লেখ থকা টোলগেট তিনিখন হৈছে মদনপুৰ, নাজিৰাখাট আৰু ৰহা। ৰাজ্যখনত প্ৰায় ১২ৰ পৰা ১৪খন টোলগেট চলি থকাৰ কথা উল্লেখ কৰি তেওঁ বাকী টোলগেটসমূহৰ বৈধতাক লৈ প্ৰশ্ন তোলে।

© 2026 NewzNow

RTI reply by NHAI

भारतीय राष्ट्रीय राजमार्ग प्राधिकरण
(सड़क परिवहन ओर राजमार्ग मंत्रालय, भारत सरकार)
National Highways Authority of India
(Ministry of Road Transport & Highways, Government of India)
परियोजना कार्यान्वयन इकाई
Project Implementation Unit (P.I.U.)
मकान नं. 1, प्रथम तल्ला, दिलीप हुजूरी पथ
House No. 1, 1st Floor, Dilip Huzuri Path,
बागेश्वरी मंदिर के निकट, सोरुमोटोरिया, गुवाहाटी-781006
Near Bageswari Mandir, Sorumotoria, Guwahati-781006
ई-मेल / E-mail: piu.guwahati@gmail.com, piughy@nhai.org

NHAI/PIU/GHY/RTI (Others)(Vol-XV)/2026/28668 Date:-11.11.2026

To,
Sh. Akash Saikia,
Amguri Town, ward no. 7, PO&PS-Amguri,
Dist-Sivasagar, Assam, Pin-785680,
E-mail: akashsaikia27@gmail.com

Sub: Information under RTI Act. 2005.

Ref: (i) NHAI, RO-Guwahati letter no. NHAI/RO/GHY/2009/RTI/Vol-XV/30083 dated 30.10.2026

Sir,

Please refer to above.

2. The information pertaining to NHAI, Project Implementation Unit-Guwahati as desired, are furnished below:-

Sl. No.	Information sought	Reply
1.	Particulars information required: (i) Total no's of Toll Gates/ Toll Plaza actively running in Assam.	Madanpur, Nazirakhat and Raha Toll Plazas fall under the jurisdiction of this PIU in Assam.
	(ii) The total numbers of Toll gates under construction in Assam under NHAI.	Nil
	(iii) The provide rates of Tolls fixed for different vehicles in Assam.	Required information is available at https://rajmargyatra.nhai.gov.in/atagla nce
	(iv) That what facility should be provided by the toll authority to the vehicles and passengers.	The facility is equipped with toilet, ambulance, crane, and patrol vehicle, apart from basic amenities.

3. 1st Appellate Authority:-
Regional Officer, NE, NHAI, Regional Office, Guwahati, NEDFi House,
4th Floor, G. S. Road, Guwahati-781006. Phone No. : 0361-2237995

Yours faithfully

(Abhishek)
Project Director
PIU- Guwahati

Copy to: -
1. The Regional Officer, National Highways Authority of India, Regional Office- Guwahati, NEDFi House, 4th Floor, G.S. Road, Guwahati- 781006.

मुख्य कार्यालय : जी-5 एवं 6, सेक्टर-10, द्वारका, नई दिल्ली-110075, फैक्स-011-25093507, 25093514, वेबसाइट : http:\\www.nhai.org
Head Office : G-5 & 6, Sector-10, Dwarka, New Delhi-110075, Fax : 011-25093507 , 25093514, Website : http:\\www.nhai.org

© 2026 NewzNow

তেওঁ তেতেলীয়াপাৰা, পাতগাঁও, ঢালাপাৰা, গালিয়া, নলবাৰী, মিকিৰীগাঁও, মান্দাছাৰীয়া, বালাচৰা, ৰংগামাটি আৰু চুলুং আদি স্থানৰ টোলগেটৰ নাম উল্লেখ কৰে। আৰটিআইৰ উত্তৰত এই টোলগেটসমূহৰ বৈধতাৰ স্পষ্ট তথ্য পোৱা নাই বুলি তেওঁ অভিযোগ কৰে। অৱশ্যে, এই টোলগেটসমূহ অবৈধ বুলি চৰকাৰীভাৱে নিশ্চিত হোৱা নাই।
শইকীয়াই লগতে কয় যে, ৰাজ্যত কোনো নতুন টোলগেট নির্মাণৰ কাম চলি থকা নাই বুলি এনএইচএআইৰ উত্তৰত জনোৱা হৈছে। কিন্তু যোৰহাটৰ মেলেং আৰু ডিব্রুগড়ত নতুন টোলগেট নির্মাণৰ কাম চলি থকা বুলি তেওঁ দাবী কৰে। এই ক্ষেত্রত অনুমতি আৰু নির্মাণ-সংক্রান্তীয় তথ্যৰ স্বচ্ছতা নিশ্চিত কৰাৰ দাবী জনায় সংগঠনটোৱে।

টোলগেটসমূহত বাহনৰ পৰা ইচ্ছামতে মাচুল সংগ্রহ কৰি সাধাৰণ ৰাইজৰ ওপৰত অতিৰিক্ত আর্থিক বোজা জাপি দিয়া হৈছে বুলিও অভিযোগ কৰে শইকীয়াই। বিষয়টোৰ তদন্ত কৰি প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰিবলৈ মুখ্যমন্ত্রী ড□ হিমন্ত বিশ্ব শর্মাৰ হস্তক্ষেপ দাবী কৰিছে অসমীয়া যুৱ মঞ্চই।
https://www.facebook.com/share/v/1HbrAwhg5K/

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/4540/assam-tollgates-nhai-rti-claim